তালিকাত দেখুওৱাৰ দৰে অসমীয়াত অপাদানৰ বাহিৰে প্ৰতিটো কাৰকৰে নিজা বিভক্তি আছে। কেতিয়াবা একেটা বিভক্তিৰেই বিভিন্ন কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। সাধাৰণতে কৰ্তা কাৰকৰ এ- বিভক্তিয়ে কৰণ, অপাদান আৰু অধিকৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰে অৰ্থাৎ এ-বিভক্তিয়ে ক্ৰমে তৃতীয়া, পঞ্চমী আৰু সপ্তমী বিভক্তিৰো কাম কৰে। যেনে, **হাতে-কটা** সূতা (কৰণ), তুমি অহাৰ কথাটো ৰীতাৰ মুখে শুনিলোঁ (অপাদান) আৰু কথাটো সকলোৰে **মুখে-মুখে** (অধিকৰণ)। শব্দ বা কাৰক বিভক্তিবোৰ ধ্বনি সাপেক্ষে (phonologically conditioned)। সেয়েহে স্বৰ বা ব্যঞ্জন অনুসৰি ওপৰত দেখুওৱাৰ দৰে সিহঁতৰ ৰূপৰ পৰিবৰ্তন হয়।

এইদৰে দেখা যায় যে অসমীয়াত কাৰক আৰু সম্বন্ধপদৰ সম্পৰ্ক দুটা উপায়েৰে নিৰ্দেশ কৰা হয়ঃ

(ক) শূন্য বিভক্তিকে ধৰি আন শব্দ-বিভক্তিৰ যোগত

(খ) সম্বন্ধপদৰ ৬ষ্ঠী বিভক্তিৰ পিছত বিবিধ অনুপদ যোগ কৰি।

কেতিয়াবা কোনো বিশেষ শব্দৰ যোগতো বিভিন্ন কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। সংস্কৃতত কাৰক বুজোৱা সুপ্ বিভক্তিবোৰ বচন সাপেক্ষ। ইয়াত প্ৰতিটো বিভক্তিৰ ৰূপেই বচন অনুযায়ী ভিন ভিন। যেনে, কৰ্তাকাৰকৰ ১মা বিভক্তি তিনিটা বচনৰ কাৰণে তিনিটাঃ সু (একবচন), ঔ (দ্বিবচন), জস্ (বহুবচন)। সেয়েহে সংস্কৃতত বচন অনুযায়ী সাতোটা বিভক্তিৰ ৰূপ ২১টা। কিন্তু অসমীয়াত শব্দ-বিভক্তিবোৰ বচন নিৰপেক্ষ অৰ্থাৎ এক বচন আৰু বহুবচন নিৰ্বিশেষে ইয়াৰ একেটাই ৰূপ; সেয়েহে ইয়াত ছটা কাৰকৰ কাৰণে মাত্ৰ ছটা বিভক্তিৰ ৰূপ। বচন অনুযায়ী শব্দ ৰূপ কৰিব লাগিলে ইয়াত শব্দ বিভক্তি যোগ হোৱাৰ আগতে বচনবাচক প্ৰত্যয় যোগ কৰা হয়। কোনো বস্তুৰ আকৃতি-প্ৰকৃতি বা পুংলিঙ্গ-স্ত্ৰীলিঙ্গ বুজাব লগা হ'লেও প্ৰথমে সেই সেই অৰ্থবাচক প্ৰত্যয় যোগ হোৱাৰ পিছতহে শব্দবিভক্তি যোগ দিয়া হয়। অসমীয়াত শব্দ বিভক্তিবোৰৰ প্ৰয়োগ এনেদৰে দেখুৱাব পাৰি ঃ

মূলশব্দ + শব্দ বিভক্তি; যেনে, ৰাম + এ = ৰামে

মূল শব্দ + বচনবাচক/নিঃবাচক/লিঙ্গবাচক প্ৰত্যয় + শব্দ বিভক্তি; যেনে,

মানুহ + জন + এ = মানহজনে

মানুহ + বোৰ + এ = মানুহবোৰে

ফুকন + অনী + ক = ফুকননীক আদি।

**৯.০৩ কাৰক অনুযায়ী শব্দ বিভক্তি আৰু কাৰকবাচক অনুপদৰ প্ৰয়োগ ঃ**

**কৰ্তা কাৰক ঃ** যি কৰে বা হয়, সিয়েই কৰ্তা। অথবা যাৰ যত্নত বা যাক আশ্ৰয় কৰি ক্ৰিয়া সম্পাদিত হয়, সেয়ে কৰ্তা। কৰ্তা কাৰকত শূন্য বিভক্তি আৰু ১মা -এ

বিভক্তি যোগ হয়। যেনে,

**মানুহ** মৰে।

**চৰাই** উৰে।

**সি** যায়।

**ল'ৰাটোৱে** কান্দিছে।

**গৰুৱে** ঘাঁহ খায়।

**লতাই** কিতাপ পঢ়িছে।

উল্লিখিত বাক্যকেইটাৰ ভিতৰত প্ৰথম তিনিটা বাক্যৰ **মানুহ, চৰাই** আৰু **সি** কৰ্তা, যাৰ **মৰে, উৰে** আৰু **যায়** ক্ৰিয়াৰ লগত প্ৰধান সম্পৰ্ক স্থাপিত হৈছে। কিন্তু সেই কৰ্তাকেইটাত প্ৰত্যক্ষভাৱে কোনো বিভক্তি লগ লগা নাই, কিন্তু পদ হিচাপে তাত শূন্য বিভক্তি যোগ হোৱা বুলি ধৰা হয়। এয়ে শূন্য বিভক্তি। সাধাৰণতে অকৰ্মক ক্ৰিয়াৰ কৰ্তাত শূন্য বিভক্তি যোগ হয়। ওপৰৰ **মানুহ মৰে, চৰাই উৰে** বাক্যৰ মানুহ, চৰাই পদ **মৰে** আৰু **উৰে** অকৰ্মক ক্ৰিয়াৰ কৰ্তা। কিন্তু হাঁহ, কান্দ, নাচ, সাঁতোৰ আদি কিছুমান অকৰ্মক ক্ৰিয়াৰ কৰ্তাত সদায় প্ৰথমা এ- বিভক্তি যোগ হয়। **ল'ৰাটোৱে কান্দিছে** বাক্যৰ কৰ্তা **ল'ৰাটোৱে** অকৰ্মক ক্ৰিয়াৰ কৰ্তা হোৱা সত্ত্বেও তাত -এ বিভক্তি যোগ হৈছে। শেষৰ বাক্য দুটাৰ **গৰুৱে, লতাই** সকৰ্মক ক্ৰিয়াৰ কৰ্তা আৰু ইয়াত স্বাভাৱিকতে প্ৰথমা **-এ, -ই** বিভক্তি যোগ হৈছে।

দুজন বা অধিকৰ ভিতৰত পাৰস্পৰিক কাৰ্য বুজাবলৈও প্ৰথমা বিভক্তি হয়। যেনে,

**ল'ৰাই ল'ৰাই** কাজিয়া লাগিছে।

**গৰুৱে গৰুৱে** যুঁজ লাগিছে।

**ধন্য** শব্দৰ যোগতো প্ৰথমা বিভক্তি হয়। কিন্তু ইয়াত বিভক্তিটো উহ্য হৈ থাকে। যেনে, **ধন্য** তুমি, তুমি **ধন্য**।

**কৰ্মকাৰক ঃ** যাৰ ওপৰত ক্ৰিয়া হয় অথবা ক্ৰিয়াৰ যি ব্যাপ্য বা ইঙ্গিত, তাকেই কৰ্মকাৰক বোলা হয়। অৰ্থাৎ কৰ্তাই যাৰ ওপৰত ক্ৰিয়া কৰি সম্পূৰ্ণতা লাভ কৰে, সিয়েই কৰ্ম কৰ্মকাৰক। কৰ্মকাৰকত শূন্য বিভক্তি আৰু দ্বিতীয়া বিভক্তি **-ক/-অক** যোগ হয়। যেনে

ৰামে **কিতাপ** পঢ়াইছে।

আয়ে **ভাত** ৰান্ধিছে।

এই বাক্য দুটাত কৰ্তা **ৰাম** আৰু **আয়ে** ক্ৰমে পঢ়া আৰু ৰন্ধা কাৰ্য কৰি সম্পূৰ্ণতা লাভ কৰিছে **কিতাপ** আৰু **ভাতৰ** ওপৰত। গতিকে **কিতাপ** আৰু **ভাত** কৰ্ম আৰু ইয়াত